**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-01-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী চিউলত দেশখনৰ এগৰাকী মন্ত্ৰীৰ লগতে কেইবাটাও ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যৰে দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে আজি দক্ষিণ কোৰিয়াৰ এছ্ এম ই আৰু ষ্টাৰ্টআপ মন্ত্ৰী অ'হ য়ংজুক সাক্ষাৎ কৰি অসম আৰু দক্ষিণ কোৰিয়াৰ উদ্যোগী আৰু ষ্টাৰ্টআপসমূহৰ মাজত সহযোগিতা ৰক্ষা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে দেশখনৰ নৱীকৰণযোগ্য আৰু স্বচ্ছ শক্তিৰ অন্যতম বৃহৎ প্ৰতিষ্ঠান জি এছ্ গ্ৰুপৰ উপাধ্যক্ষ য়ং হা ৰুৰ সৈতে আলোচনাত মিলিত হয়। ডº শৰ্মাই ২০৩০ চনৰ ভিতৰত ৰাজ্যত ৩ হাজাৰ মেগাৱাট স্বচ্ছ শক্তি উৎপাদনৰ লক্ষ্যৰ বিষয়ে অৱগত কৰি এইক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ সহযোগিতা কামনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ছেমি কণ্ডাক্টৰ আৰু এল ই ডি প্ৰযুক্তিৰ ক্ষেত্ৰত উল্লেখনীয় কাম কৰি থকা উদ্ভাৱনী সংস্থা ছিউল ভায়'ছিছৰ মুখ্য কাৰ্যবাহী বিষয়া লি য়ং জুক সাক্ষাৎ কৰি এডভাণ্টেজ আছামৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। ডº শৰ্মাই কয়, যে অসমত ছেমি কণ্ডাক্টৰ পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ বাবে এই উদ্যোগৰ অংশীদাৰসকলক ছেটেলাইট চিটী নিৰ্মাণৰ পৰা আৰম্ভ কৰি সকলোধৰণৰ সহায়-সমৰ্থন আগবঢ়াবলৈ চৰকাৰ বদ্ধপৰিকৰ। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে বিশ্বৰ অন্যতম বৃহৎ ছেমি কণ্ডাক্টৰ গোট এছ্ কে হাইনিক্সৰ উপাধ্যক্ষক সাক্ষাৎ কৰি অসমক আন্তঃৰাষ্ট্ৰীয় ছেমি কণ্ডাক্টৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰে।

০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত আজিৰেপৰা ৩ দিনীয়া কাৰ্যসূচীৰে **উৎপাদনশীলতা বৃদ্ধি আৰু উত্তৰ-পূব ভাৰতত ভূমি অবক্ষয় ৰোধ কৰাৰ বাবে বহনক্ষম ভূমি ব্যৱস্থাপনা** শীৰ্ষক এটা আঞ্চলিক পৰ্যায়ৰ প্ৰশিক্ষণ তথা কৰ্মশালা অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অধীনৰ ডেৰাডুনত অৱস্থিত **বহনক্ষম ভূমি ব্যৱস্থাপনা উৎকৃষ্টতা কেন্দ্ৰ**ৰ অৰ্থ সাহায্যত অনুষ্ঠিত এই কৰ্মশালাখন কেন্দ্ৰটোৰ সঞ্চালক ডº বিনয় কুমাৰে দূৰসংযোগ পদ্ধতিৰে উদ্বোধন কৰে। ভাষণ প্ৰসংগত সঞ্চালকগৰাকীয়ে সুন্দৰ ভৱিষ্যতৰ বাবে ভূমিৰ অবক্ষয় ৰোধ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়া, বিজ্ঞানী, কৃষি আৰু উদ্যান শস্য উন্নয়ন বিষয়া, সংশ্লিষ্ট ক্ষেত্ৰ বিশেষজ্ঞ আৰু ক্ষেত্ৰ বিষয়াসকলক লৈ মুঠ ২০ গৰাকী অংশগ্ৰহণকাৰীয়ে কৰ্মশালাখনত অংশগ্ৰহণ কৰিছে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ অনলাইন প্ৰ-পত্ৰ পূৰণৰ বাবে কাইলৈৰ পৰা ৩০ জানুৱাৰীলৈ সংশ্লিষ্ট প'ৰ্টেল পুনৰ মুকলি কৰিব। পৰিষদে আজি এখন জাননীযোগে সকলো শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া ৩০ জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। পৰৱৰ্তী সময়ত এই সময়সীমা কোনো কাৰণতে বৃদ্ধি কৰা নহয় বুলিও পৰিষদে নিৰ্দেশটোত স্পষ্ট কৰি দিছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ সময়সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি অহা ৬ মাৰ্চৰ পৰা পৰীক্ষা আৰম্ভ হ'ব আৰু ২৯ মাৰ্চত অন্ত পৰিব। পুৱাৰ ভাগত ৯ বজাৰ পৰা দিনৰ ১২ বজালৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বিপৰীতে পিছবেলা ৩০ আৰু ৫০ নম্বৰৰ প্ৰশ্নকাকতৰ বাবে দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে ৩ বজালৈ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০০

মাজুলী জিলা সাংবাদিক সন্থাৰ দ্বাৰা প্ৰৱৰ্তিত দত্তদেৱ গোস্বামী সোঁৱৰণি গ্ৰাম্য সাংবাদিকতা বঁটাৰ বাবে আবেদন আহ্বান কৰা হৈছে। অসম ভিত্তিক এই বঁটাৰ বাবে আগ্ৰহী সাংবাদিকসকলে ২০২৪ বৰ্ষৰ ১ জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশিত মানসম্পন্ন বুলি গণ্য কৰা ৩ টা বাতৰিৰ মূল কপিসহ ৩টাকৈ মুঠ ৯ টা প্ৰতিলিপি গাথি দিব লাগিব। ৰাজ্যৰ কলা সংস্কৃতিৰ লগতে মাজুলীৰ কলা সংস্কৃতিক প্ৰাধান্য দি আৰ্থসামাজিক দিশ প্ৰতিফলিত হোৱাকৈ প্ৰকাশিত সংবাদক প্ৰাধান্য দিয়া হ'ব। আবেদনকাৰী সাংবাদিকসকল কোনো সাংবাদিক সংগঠনৰ সৈতে জড়িত থকাৰ লগতে কোনো কাকতৰ জৰিয়তে সংবাদ পৰিবেশন কৰিছে তাৰ উল্লেখ আৰু কাকতগোষ্ঠীৰ পৰিচয় পত্ৰ প্ৰাপক হ'ব লাগিব। আবেদনসমূহ অহা ৩১ জানুৱাৰীৰ ভিতৰত ডিম্বেশ্বৰ দত্ত, সম্পাদক, মাজুলী জিলা সাংবাদিক সন্থা, মাজুলী ৰোড, ডাকঘৰ ঃ কমলাবাৰী-৭৮৫১০৬ ঠিকনাত প্ৰেৰণ কৰিব পাৰিব। ২০০৬ চনৰ পৰা প্ৰৱৰ্তন কৰা এই বঁটা এটা স্বৰ্ণপদক, গ্ৰন্থৰ টোপোলা, মানপত্ৰ, অংগবস্ত্ৰ আদি থাকিব আৰু চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰ ভিতৰত এখন সভাৰ জৰিয়তে নিৰ্বাচিত সাংবাদিকক বঁটা প্ৰদান কৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০০

শিৱসাগৰত সদৌ অসম ছাত্ৰ সন্থাৰ দ্বিতীয় বৃহৎ সাংগঠনিক কাৰ্যসূচী সাধাৰণ সভাৰ ব্যাপক প্ৰস্তুতি চলিছে। সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু শিৱসাগৰবাসীৰ সহযোগত জিলাখনত চলিত মাহৰ ২৭ আৰু ২৮ তাৰিখে এই সাধাৰণ সভা অনুষ্ঠিত হ'ব। সভাত অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিনিধি আৰু অতিথিসকলক অসমীয়া জলপানৰ সোৱাদ দিয়াৰ বাবে শিৱসাগৰবাসী মহিলাসকল দিনে-নিশাই ব্যস্ত হৈ পৰিছে। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক ছাত্ৰ প্ৰতিনিধি আৰু ৰাইজৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হ'বলগীয়া এই সাধাৰণ সভাখন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ইতিমধ্যে হাজাৰৰো অধিক ব্যক্তিক সামৰি এখন সমিতি গঠন কৰা হৈছে।

০০০০০

**সমাপ্ত**